بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়্যেদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১৫ আগষ্টত মছজিদ বায়তুল ফতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি মই বদৰি চাহাবা সকলৰ বিষয়ে উল্লেখ কৰিম। যাৰ ধাৰাবাহিকতা বহুদিন ধৰি চলি আহিছে।

আলোচনা কৰিবলগীয়া প্ৰথমজন চাহাবীৰ নাম হল হজৰত কাতাদাহ বিন নুমান আনচাৰী (ৰাঃ)। খজৰজ কবিলাৰ এটা গোত্ৰ বণু জাফৰৰ সৈতে হজৰত কাতাদাহ (ৰাঃ)ৰ সম্পৰ্ক আছিল। এখেতৰ দেউতাকৰ নাম আছিল নুমান বিন জায়েদ আৰু মাকৰ নাম আছিল আনিছা বিনতে কায়েছ। হজৰত কাতাদাহ (ৰাঃ)ৰ কুনিয়াত আবু উমৰৰ ওপৰিও আবু উমৰু আৰু আবু আব্দুল্লাহ বুলিও বৰ্ণনা পোৱা যায়। হজৰত কাতাদাহ (ৰাঃ) হজৰত আবু ছাঈদ খুদৰি (ৰাঃ)ৰ বৈপিতৃয় ভায়েক আছিল। হজৰত কাতাদাহ (ৰাঃ)ৰ য়ে সত্তৰ আনছাৰী চাহাবাৰ লগত বয়াতে উকবাত যোগদান কৰাৰ সৌভাগ্য লাভ কৰিছিল। এখেত (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ নিযুক্ত পাকৈত তীৰ আন্দাজী সকলৰ এজন আছিল। হজৰত কাতাদাহ (ৰাঃ)য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, আদি কৰি পিছৰ সকলো যুদ্ধত আঁহজৰত (ছাঃ)ৰ যোগেদি যুদ্ধ কৰিছিল। অহুদৰ যুদ্ধৰ দিনা হজৰত কাতাদাহ (ৰাঃ)ৰ চকুত তীৰৰ আঘাত লাগি চকুৰ লাটুম বাহিৰলৈ ওলাই পৰিছিল। তেতিয়া এখেত (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰলৈ আহিছিল আৰু কৈছিল যে ইয়া ৰছুলুল্লাহ তীৰৰ আঘাতত মোৰ চকুৰ লাটুম বাহিৰলৈ ওলাই আহিছে। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে চকুৰ লাটুম নিজ হাতেৰে ঘুৰাই চকুৰ খাঁচত আকৌ বহাই দিছিল আৰু পুনৰ সেই চকুত দৃষ্টি শক্তি ঘুৰি আহিছিল। কাতাদাহ (ৰাঃ)য়ে বুঢ়া বয়সত এই আঘাত প্ৰাপ্ত চকুটোতেই বাছি ভালকৈ দেখা পাইছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে কাতাদাহ (ৰাঃ)ৰ আঘাত প্ৰাপ্ত চকুটোত নিজৰ মুখৰ থু লগাই দিছিল। যাৰ ফলত এই চকুটো আনটো চকুতকৈ বেছি ভালে আছিল। হজৰত কাতাদাহ (ৰাঃ)য়ে নিজে বৰ্ণনা কৰিছে যে অহুদৰ যুদ্ধৰ দিনা মই ৰছুলে কৰিম (ছাঃ)ৰ চেহেৰা মোবাৰকৰ সন্মুখ ভাগত থাকিছিলো। যেতিয়াই কোনো তীৰ ৰছুলুল্লাহ (ছাঃ)ৰ ফালে তেতিয়া মই মোৰ মূৰটো সেই তীৰৰ আগত ৰাখি দিছিলো যাতে মই ৰছুলুল্লাহ (ছাঃ)ৰ চেহেৰা মোবাৰকৰ নিমিত্তে ঢাল স্বৰূপ হব পাৰো। এনেতে এটা তীৰ আহি মোৰ চকুত লাগি গৈছিল, যাৰ আঘাতত মোৰ চকুৰ পুতলী (লাটুম) বাহিৰলৈ ওলাই আহি গালৰ ওপৰত ওলমাই গৈছিল । সেই পুতলী হাতেৰে ধৰিলে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ থিয় হৈছিল । যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে চকুৰ পুতলী মোৰ হাতত দেখিছিল তেতিয়া তেখেত (ছাঃ)ৰ চকুলো বৈ আহিছিল আৰু কৈছিল হে আল্লাহ কাতাদাহ নিজৰ মুখ মণ্ডলৰে তোমাৰ নবীৰ চেহেৰা ৰক্ষা কৰিছে গতিকে তুমি তাৰ চকুটো আনটো চকুতকৈ বেছি দৃষ্টিশীল বনাই দিয়া। সেয়ে আঘাত প্ৰাপ্ত চকুটো বেছি সুন্দৰ আৰু দৃষ্টি শক্তিৰ ফালেৰে বেছি ভাল হৈ গৈছিল।

হজৰত কাতাদাহ (ৰাঃ)য়ে খন্দকৰ যুদ্ধ আৰু পিছৰ অন্যান্য সকলো যুদ্ধত আঁহজৰত (ছাঃ)ৰ লগত যোগ দিছিল। মক্কা বিজয়ৰ সময়ত কবিলা বণু জাফৰৰ পতাকা হজৰত কাতাদাহ (ৰাঃ)ৰ হাতত আছিল। চন ২৩ হিজৰিত ৬৫ বছৰ বয়সত মদিনাত হজৰত কাতাদাহ (ৰাঃ)ৰ মৃত্যু হৈছিল আৰু হজৰত উমৰ (ৰাঃ)য়ে এখেতৰ নমাজে জানাজা পঢ়াইছিল।

হজৰত কাতাদাহ বিন নুমান (ৰাঃ)য়ে কৈছে যে আনছাৰ সকলৰ মাজত এটা বংশ এনেকুৱা আছিল, যাক বণু আবিৰুক বুলি কোৱা হৈছিল। এওঁলোকৰ তিনি ভাই ককাই আছিল। এওঁলোক বৰ দৰিদ্ৰ শ্ৰেণীৰ লোক আছিল। আৰু এওঁলোকে কোনো ধৰণৰ উন্নতি কৰিব আৰু পৰিবৰ্তন হব নোৱাৰিছিল। এওঁলোকে কাম নকৰিছিল, কোনো পৰিশ্ৰম নকৰিছিল, সেয়ে দৰিদ্ৰ হৈ পৰিছিল। কাতাদাহ (ৰাঃ)য়ে কৈছে যে এবাৰ মোৰ খুৰাদেউ ৰুফাআ বিন জায়েদৰ গুদামত সিন্ধি খান্দি বেৰ ভাঙি চুৰ সোমাই ৰেচন পাতি আৰু অস্ত্ৰ-সস্ত্ৰ চুৰ কৰি লৈ গৈছিল। ৰাতিপুৱা মোৰ খুৰাকে মোৰ ওচৰত আহি মোক কৈছিল যে হে মোৰ ভতিজা ! আজি ৰাতি মোৰ ওপৰত অন্যায় কৰা হৈছে। মোৰ গুদামত সিন্ধি খান্দি মোৰ ৰেচন পাতি আৰু অস্ত্ৰ-সস্ত্ৰ চুৰ কৰি লৈ গৈছে। তেতিয়া মই বস্তিত গৈ গম লৈ খোজ বিচাৰ লৈছিলো তেনেতে মোক লোকে কৈছিল যে - আজি ৰাতি

আমি বণু আবিৰকাক দেখিছো যে তেওঁ জুই জ্বলাই ৰাখিছে আৰু আমি অনুমান কৰিছিলো যে তোমালোকৰ খাদ্যৰে তেওঁ ভোজন পৰ্ব পাতিছে।

মোৰ খুৰাকে মোক কৈছিল যে হে মোৰ ভতিজা, তুমি যদি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰলৈ গলাহেঁতেন আৰু এই দুৰ্ঘটনাৰ কথাটো জনালাহেঁতেন তেন্তে হয়তো মোৰ এই সম্পদ ঘুৰাই পালোহেঁতেন। হজৰত কাতাদাহ (ৰাঃ)য়ে কৈছিল যে - মই এই কথাখিনি শুনি আঁহজৰত (ছাঃ)ৰ ওচৰলৈ গৈছিলো আৰু আবেদন জনাইছিলো যে আমাৰ মাজৰ এঘৰ লোকে এই অন্যায় কামটো কৰিছে। তেওঁলোকেই মোৰ খুৰা ৰুফাআ বিন জায়েদৰ ঘৰৰ সৰ্বনাশ কৰিছে আৰু তেখেতৰ গুদাম ঘৰত সিন্ধি খান্দি খাদ্য দ্ৰব্য (ৰেচন) আৰু অস্ত্ৰ-সস্ত্ৰ চুৰ কৰিছে। যেতিয়া বণু আবিৰুকে এই কথাটো শুনিছিল তেতিয়া তেওঁলোকে সকলোৱে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহি উপস্থিত হৈ কৈছিল যে হে আল্লাহৰ ৰছুল, হজৰত কাতাদাহ বিন নুমান আৰু তেখেতৰ খুৰাকে আমাৰ মাজৰ এঘৰ লোকৰ ওপৰত সাক্ষী, প্ৰমাণ নোহোৱাকৈ চুৰি কৰাৰ অপৰাধ জাপি দিছে, যি সকলে মুছলমান আৰু বৰ ভাল মানুহ। কাতাদাহ (ৰাঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)য়ে মোক কৈছিল যে তুমি এটা এনেকুৱা পৰিয়ালৰ ওপৰত চুৰিৰ অপৰাধ জাপি দিছা যাৰ বিষয়ে কোৱা হৈছে যে তেওঁলোক মুছলমান হয় আৰু লোক সকল বৰ ভল, আৰু তোমাৰ ওচৰত কোনো সাক্ষী প্ৰামাণ নাই। কাতাদাহ কৈছে যে - মই তেখেত (ছাঃ)ৰ কাষৰ পৰা গুচি আহিছিলো আৰু মোৰ মনত ধাৰণা হৈছিল যে মই যদি কিবা ধন-মালৰ পৰা বঞ্চিত হলোহেঁতেন তথাপি মোৰ সহ্য হলহেঁতেন কিন্তু এই বিষয়ে ৰছুলুল্লাহ (ছাঃ)ক নজোনোৱাই ভাল আছিল। আঁহজৰত (ছাঃ)ৰ কথা শুনি মোৰ অনুমান হৈছিল যে মই অযথা আঁহজৰত দুখ দিলোঁ।

আল্লাহ তায়ালা আঁহজৰত (ছাঃ)ক অহিৰ জৰিয়তে এই ঘটনাৰ আচল কথাটো জনাই দিছিল। যেতিয়া এই বিষয়ে কোৰ-আনৰ আয়াত অৱতীৰ্ণ হৈছিল তেতিয়া বণু আবিৰুক, যাৰ ওপৰত চুৰিৰ সন্দেহ আছিল ভাৱিছিল যে এয়া আমাৰ সম্পৰ্কেই নাযিল হৈছে। তেওঁ নিজকে চুৰ বুলি মানি লৈছিল আৰু বয় বস্তু , অস্ত্ৰ-সস্ত্ৰ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত লৈ গৈছিল আৰু আঁহজৰত (ছাঃ)য়ে সেই সকলোবোৰ বস্তু ৰুআফাক ঘুৰাই দিছিল।

হজৰত আবি ছঈদ খুদৰি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত কাতাদাহ বিন নুমান (ৰাঃ)য়ে এবাৰ ছুৰা ইখলাছ পঢ়ি পঢ়ি গোটেই ৰাতি পাৰ কৰি দিছিল। যেতিয়া নবী কৰিম (ছাঃ)য়ে এই বিষয়ে শুনিছিল তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে, সেই সত্তাৰ কছম, যাৰ হাতত মোৰ প্ৰাণ; ছুৰা ইখলাছ আধা অথবা তিনি ভাগৰ এভাগ কোৰআনৰ সমান অৰ্থ্যাৎআল্লাহ তায়ালাৰ একত্বই হল প্ৰকৃত কোৰআন আৰু কোৰআন কৰিমত তাৰেই শিক্ষা পোৱা যায়।

আবু ছালমা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে আবু ছালমা (ৰাঃ)ৰ ওচৰত ৰছুলুল্লাহ (ছাঃ)ৰ হাদীছ বৰ্ণনা কৰিছিল যে তেখেত (ছাঃ)য়ে কৈছিল যে জুমাৰ দিনা এক মূহুৰ্ত এনেকুৱা আহে যে যদি সেই সময়খিনি কোনো মুছলমানে নমাজ পঢ়া অৱস্থাত পায় আৰু আল্লাহ তায়ালাৰ পৰা কল্যাণ বিচাৰে, তেন্তে আল্লাহ তায়ালা তাক সেই বস্তু নিশ্চয় মিলাই দিয়ে। লগতে হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে নিজৰ হাতেৰে ইংগিত দি কৈছিল যে সেই সময় চোৱা বৰ ক্ষন্তেকীয়া। যেতিয়া হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ মৃত্যু হৈছিল তেতিয়া আবু ছালমা (ৰাঃ)য়ে কৈছিল যে মই মনে মনে ভাৱিছিলো ; আল্লাহৰ কছম ! যদি মই হজৰত আবু ছঈদ খুদৰি (ৰাঃ)ৰ ওচৰত গলোহেঁতেন তেন্তে সেই সময়ছোৱাৰ বিষয়ে নিশ্চয় সুধিলো হেঁতেন হব পাৰে তেখেতে এই বিষয়ে জানে। গতিকে এবাৰ মই তেখেতৰ ওচৰত গৈছিলো আৰু সুধিছিলো যে হে আবু ছঈদ ! হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে আমাক এনে এছোৱা সময় সম্পৰ্কে হাদীছ শুনাইছে যি জুমাৰ দিনা আহে। আপুনি এই সময় সম্পৰ্কে কিবা জানেনে যি সময় ছোৱাত দোৱা কবুল হয়। তেতিয়া তেখেত (ৰাঃ)য়ে কৈছিল যে মই নবী কৰিম (ছাঃ)ৰ ওচৰত সেই সময় সম্পৰ্কে সুধিছিলো তেতিয়া নবী কৰিম (ছাঃ)য়ে কৈছিল যে আগতে মোক সেই সম্পৰ্কে জনোৱা হৈছিল কিন্তু আকৌ কদৰৰ ৰাতিলৈ সেয়া পাইৰাই দিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে মচনদ আহমদ বিন হাম্বলত এই বিষয়ে যি ৰোৱায়েত আছে তাত জুমাৰ দিনা যি সময়ছোৱাৰ বিষয়ে উল্লেখ আছে, সেই সময়ছোৱাৰ বিষয়ে বিভিন্ন ধৰণৰ বৰ্ণনাৰ উল্লেখ আছে। সেই ৰোৱায়েত সমুহৰ পৰা তিনি প্ৰকাৰৰ সময় সম্পৰ্কে জানিব পৰা যায়। প্ৰথম হল এয়া যে এই সময়ছোৱা জুমা চলাকালীন অৱস্থাত আহি থাকে। দ্বিতীয় হল এয়া যে দিনৰ শেষ ভাগত এই সময় আহি থাকে। তৃতীয় হল এয়া যে এই সময়ছোৱা আছৰ নমাজৰ পিছত আহি থাকে। হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে জুমাৰ দিনৰ কথা উল্লেখ কৰিছে আৰু কৈছে

যে ইয়াত এটা সময় আছে, যিজন মুছলমান ব্যাক্তিয়ে এই সময়ছোৱা নমাজ পঢ়ি থকা অৱস্থাত লগ পাব আৰু যি বস্তুয়েই আল্লাহ তায়ালাৰ পৰা বিচাৰিব, আল্লাহ তায়ালা নিশ্চয় তাক সেয়া প্ৰদান কৰিব। লগতে নিজৰ হাতেৰে ইংগিত কৰিছিল যে সেই সময়ছোৱা বৰ ক্ষন্তেকীয়।

আকৌ ছহি মুছলিমত ৰোৱায়েত আছে যে ৰছুলে কৰিম (ছাঃ) কৈচে যে সেই সময়ছোৱা দিনৰ শেষ ভাগতে আহে অৰ্থ্যাৎ দিন শেষ হৈ যোৱাৰ ওচৰা-ওচৰি সময়ত হয়। হজৰত আব্দুল্লাহ বিন ছালাম (ছাঃ) য়ে সুধিছিল যে কিয় সেয়া নমাজৰ ওয়াক্ত নহয় নে ? তেখেত (ছাঃ)য়ে কৈছিল কিয় নহব। মোমিন বান্দা যেতিয়া নমাজ পঢ়িবলৈ বহে আৰু নমাজেই তাক বহাই ৰাখে, দৰাচলতে তেওঁ তেতিয়া নমাজতেই থাকে।

আকৌ হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে সেয়া আছৰ ওয়াক্তৰ পিছৰ সময়ছোৱাত আহে। আন এটা ৰোৱায়েতত উল্লেখ য়ে হজৰত আবু ছালমা (ৰাঃ)য়ে এই সময় সম্পৰ্কে সুধিছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে “আখিৰুছ্ ছাআতুন নাহাৰে” অৰ্থ্যাৎ এই সময়ছোৱা দিনৰ শেষ সমযত হব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই বিষয়ে বৰ্ণাওতে এঠাইত অৰ্থ্যাৎ হজৰত মুছলেহ মাওউদ (ৰাঃ)ৰ তফছিৰত বৰ্ণনা কৰিছে যে জুমা আৰু ৰমজানৰ মাজত এটা সাদৃশ্য আছে। সেয়া হল এয়া যে জুমাৰ দিনটো দোৱা গৃহীত হোৱাৰ দিন। ঠিক তেনেদৰেই ৰমজান মাহটো দোৱা কবুলিয়তৰ মাহ। জুমা সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে যদি কোনো ব্যাক্তিয়ে জুমাৰ নমাজৰ উদ্দেশ্য মছজিদলৈ আহে আৰু নীৰৱে বহি জিকৰে ইলাহিত ব্যস্ত থাকি ইমামলৈ অপেক্ষা কৰে আৰু পিছত শান্ত মনেৰে মনোযোগ দি খোতবা শুনে আৰু নমাজ বা জমাতত চামিল হয তেন্তে তাৰ নিমিত্তে খোদা তায়ালাৰ বিশেষ বৰকত অৱতীৰ্ণ হৈ থাকে। লগতে জুমাৰ দিনটোত এনে এটা সময় আহে, যত মানুহে যি দোৱায়ে কৰক সেয়া কবুল হৈ যায়। তেখেত (ৰাঃ)য়ে লিখিছে যে ইলাহি বিধান অনুসৰি এই হাদীছৰ তাৎপৰ্য নিশ্চয় ব্যাখা কৰিব লাগিব যে সেই দোৱাবোৰেই কবুল হৈ থাকে, যিবোৰ ছুন্নতুল্লাহ আৰু ইলাহি বিধান অনুসৰি হে থাকে। কিন্তু যত এয়া বহু ডাঙৰ নিয়ামত হৈ থাকে তাত এয়া সহজ বিষয় নহয়। জুমাৰ সময় প্ৰায় দ্বিতীয় আজান অথবা তাৰ অলপ সময় পিছৰ পৰা আৰম্ভ হৈ নমাজৰ পিছত ছালাম ফিৰোৱালৈকে থাকে। যদি এই দুয়ো সময়ছোৱা একেলগ কৰা হয় তেন্তে এয়া এক, ডেৰ ঘণ্টা মান হব পাৰে। এই এক ডেৰ ঘণ্টাত এনেকুৱা সময় এটা আহে যত মানুহে দোৱা এটা কৰিলে সেয়া কবুল হৈ যায়। কিন্তু এই ৯০ মিনিট সময়ৰ শেষ সময়লৈকে, মানুহে কোনো মিনিট সম্পৰ্কে এয়া কব নোৱাৰে যে সেই সময়খিনি দোৱা কবুলৰ সময়। গতিকে সেই সময় যত প্ৰত্যেক দোৱা কবুল হৈ থাকে সেয়া এই ৯০ মিনিটত বিচাৰিব লাগিব। সেই ব্যাক্তিজনেই কবুলিয়তে দোৱাৰ সময়ছোৱা বিচৰাত সফল হব পাৰিব যিয়ে এই ৯০ মিনিট সময়জুৰি দোৱা কৰি থাকিব। এই ৯০মিনিট সময় একেলেথাৰিয়ে দোৱাত মগ্ন থকা আৰু মনোযোগ নিৰদ্ধ ৰখা বৰ কষ্টকৰ কাম। গতিকে এয়া বৰ পৰিশ্ৰমী কাম আৰু ইয়াৰ বাবে জিহাদ কৰিব লগা হয়। ধাৰাবাহিক বাবে এই সময়খনি মনোযোগ বিছিন্ন নোহোৱাকৈ মানুহে দোৱাত ৰত থাকক আৰু এনেদৰে লাগি থকাই প্ৰয়োজন। জুমাৰ বৰকত লাভ কৰিবলৈ বৰ পৰিশ্ৰমৰ প্ৰয়োজন আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া যিজন চাহাবাৰ বিষযে উল্লেখ কৰিম তেখেতৰ নাম হল আব্দুল্লাহ বিন মজউন (ৰাঃ)। কুৰাইছৰ কবিলা বণু জমাআৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ) হজৰত কাদামা বিন মজউন আৰু হজৰত ছায়েব বিন মজউনৰ ভাই আছিল। এওঁলোক সম্পৰ্কত হজৰত আব্দুল্লাহ বিন ওমৰৰ মোমায়েক আছিল। হজৰত আব্দুল্লাহ বিন মজউন আৰু হজৰত কাদামাহ বিন মজউন ৰছুলুল্লাহ (ছাঃ)ৰ দ্বাৰে আৰকমলৈ যোৱাৰ আৰু তাত ইছলামলৈ আমন্ত্ৰণ জনোৱাৰ আগতেই ইছলাম গ্ৰহন কৰিছিল। এখেত (ৰাঃ)য়ে নিজৰ ভায়েক সকলৰ লগত হাবশালৈ হিজৰত কৰিছিল আৰু হাবশাত থকা কালীন অৱস্থাত যেতিয়া তেওঁলোকে খবৰ পাইছিল যে মক্কাত কুৰাইছ সকলে ইছলামত ঈমান স্থাপন কৰিছে তেতিয়া তেওঁলোকে মক্কালৈ ওভতি আহিছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এয়া মই আগৰ চাহাবা সকলৰ বিষয়ে কৰা বৰ্ণনাতো উল্লেখ কৰিছো যে যেতিয়া মুছলমান সকলৰ ওপৰত জুলুম অত্যাচাৰৰ সীমা চেৰাই গেছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে মুছলমান সকলক কৈছিল যে তেওঁলোকে যেন হাবশাৰ ফালে হিজৰত কৰি যায়। লগতে এয়াও কৈছিল যে হাবশাৰ বাদছাহ ন্যায় পৰায়ণ, তাৰ ৰাজ্যত কোনো ধৰণৰ অন্যায় অত্যাচাৰ নহয়। আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ অনুয়াযী পাচঁ নৱবীৰ ৰজব মাহত এঘাৰজন পুৰুষ আৰু

চাৰিজনী মহিলা হাবশালৈ হিজৰত কৰি গৈছিল। হাবশালৈ গৈ মুছলমান সকলে এটা বৰ নিৰাপদ জীৱণ অতিবাহিত কৰিছিল আৰু খোদা খোদা উচ্চাৰি কুৰাইছ সকলৰ অত্যাচাৰৰ হাত সাৰিছিল। কিন্তু কিছুমান ইতিহাস বিদে লিখিছে যে মুহাজেৰিণ সকলে হাবশালৈ যোৱাৰ বেছিদিন হোৱা নাছিল এনেতে উৰা বাতৰিত তেওঁলোকে শুনিবলৈ পাইছিল যে কুৰাইছ সকলে মুছলমান হৈ গৈছে। এই খবৰৰ ফলাফল এনে হৈছিল যে বেছিভাগ মুহাজেৰিণে ভৱা চিন্তা নকৰাকৈ মক্কালৈ ওভতি আহিছিল। যেতিয়া এওঁলোকে আহি মক্কাৰ ওচৰ পাইছিল. তেতিয়া গম পাইছিল যে এয়া এটা মিছা খবৰ, আৰু এয়া আচলতে মুহাজেৰিণ সকলক হাবশাৰ পৰা ওভতাই অনাৰ এটা চেষ্টা, এটা চক্রান্ত আছিল। এওঁলোকে আহি বৰ বিপদত পৰি গৈছিল। বেলেগ কোনো উপায় তেওঁলোকৰ নাছিল, কিছুমানে আকৌ বাটৰ পৰাই ওভতি গৈছিল আৰু কিছুমানে মক্কালৈ আহি কোনোবাজনৰ আশ্রয়ত থাকিবলৈ লৈছিল। কিন্তু এই পন্থাও বেছিদিনলৈ চলা নাছিল। কুৰাইছ সকলৰ অত্যাচাৰ দিনক দিনে বাঢ়ি গৈছিল আৰু মক্কাত থকাটো মুছলমান সকলৰ বাবে নিৰাপত্তা নোহোৱা হৈছিল। তেতিয়া আকৌ আঁহজৰত ((ছাঃ)য়ে নির্দেশ দিছিল যে হিজৰত কৰি যোৱা। তেতিয়া বেলেগ মুছলমান সকলেও গুপ্তভাৱে হিজৰতৰ কাৰণে সাজু হৈছিল আৰু সুবিধা বুজি লাহে লাহে ঘৰৰ পৰা ওলাই পৰিছিল। এনেদৰে হিজৰত ছিলছিলা আৰম্ভ হৈছিল আৰু অৱশেষত হাবশাত মুজাহেৰিণৰ সংখ্যা এশ হৈছিল গৈ। যাৰ মাজত ১৮ জনী মহিলা আছিল আৰু বাকী কেইজন পুৰুষ আছিল। মুঠতে হজৰত আব্দুল্লাহ বিন মজউন নিজৰ তিনি ভাইয়েক হজৰত উচমান বিন মজউন, হজৰত কাদামা বিন মজউন, আৰু হজৰত ছায়েব মজউনক লগত লৈ বদৰৰ যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ হৈ যুদ্ধ কৰিছিল। হজৰত আব্দুল্লাহ বিন মজউন বদৰৰ যুদ্ধৰ উপৰিও অহুদৰ যুদ্ধ আৰু আন আন যুদ্ধত ৰছুলে কৰিম (ছাঃ)ৰ লগত যোগ দিছিল। এখেত (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ খিলাফত কালত চন ৩০ হিজৰিত ৬০ বছৰ বয়সত মৃত্যুবৰণ কৰিছিল। আল্লাহ তায়ালা সেই সকল চাহাবাৰ মর্যাদা উন্নীত কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 15 August. 2019**

| To |
|---|
| ------------------------------------------------------------------------- <br> ------------------------------------------------------------------------- |

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**